# শৈক্ষিক দিনপঞ্জী

# ACADEMIC CALENDER

## শিক্ষাবৰ্ষ ২০২০

## ACADEMIC YEAR 2020

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

**ASSAM JATIYA BIDYALAY EDUCATION COUNCIL**

নুনমাটি, গুৱাহাটী-৭৮১০২০, অসম

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
## শৈক্ষিক দিনপঞ্জী

বিষয়সূচী পৃষ্ঠা


- বিশেষ মন কৰিবলগীয়া ..... ২
- বন্ধৰ তালিকা ..... ৩
- পালন কৰিবলগীয়া দিৱস আৰু অনুষ্ঠান ..... ৪
- জানুৱাৰী মাহৰ কাৰ্য্যসূচী ..... ৫
- ফেব্ৰুৱাৰী মাহৰ কাৰ্য্যসূচী ..... ৬
- মাৰ্চ মাহৰ কাৰ্য্যসূচী ..... ৭
- এপ্ৰিল মাহৰ কাৰ্য্যসূচী ..... ৮
- মে’ মাহৰ কাৰ্য্যসূচী ..... ৯
- জুন মাহৰ কাৰ্য্যসূচী ..... ১০
- জুলাই মাহৰ কাৰ্য্যসূচী ..... ১১
- আগষ্ট মাহৰ কাৰ্য্যসূচী ..... ১১
- ছেপ্টেম্বৰ মাহৰ কাৰ্য্যসূচী ..... ১২
- অক্ট’বৰ মাহৰ কাৰ্য্যসূচী ..... ১৩
- নৱেম্বৰ মাহৰ কাৰ্য্যসূচী ..... ১৪
- ডিছেম্বৰ মাহৰ কাৰ্য্যসূচী ..... ১৫
- নামভৰ্তি, নবীকৰণ, বছৰেকীয়া মাচুল জমা দিয়া, নতুন নামভৰ্তি আৰু কিতাপ-পত্ৰ সংগ্ৰহ কৰাৰ সময় সূচী ..... ১৮
- কিছু গুৰুত্বপূৰ্ণ দিনৰ বিষয়ে বিশেষ জাননী ..... ১৯

# বিশেষ মন কৰিবলগীয়া

- প্ৰথমবাৰৰ বাবে প্ৰস্তুত কৰা অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ এই দিনপঞ্জীখনত বহুতো কাৰ্য্যসূচী অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটীত পালন কৰা ধৰণেৰেই ৰখা হৈছে।
- মূল কৰ্মদিনৰ সংখ্যা একে ৰাখি বিদ্যালয়সমূহে স্থানীয় সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি সময়সূচী/কাৰ্যসূচীৰ সালসলনি কৰিব পাৰিব।
- দিৱস পালন/উদ্‌যাপন তথা আন বহুতো কাৰ্য্যসূচীৰ ক্ষেত্ৰত মূল কথাটোহে উল্লেখ কৰা হৈছে। কাৰ্য্যসূচীবোৰৰ সময়সূচী, আৰম্ভণি আৰু সামৰণিৰ সময়, অনুষ্ঠানৰ দৈৰ্ঘ্য তথা আন বিতং কথাবোৰ বিদ্যালয়সমূহে নিজৰ সুবিধা অনুসৰি নিৰ্ধাৰণ কৰিব। এই ক্ষেত্ৰত বাধ্যবাধকতা নাই। কিন্তু এজবেকৰ দ্বাৰা ঘোষিত দিৱসসমূহ সকলোৱে পালন কৰাটো একান্তই বাঞ্ছনীয়।
- গোট পৰীক্ষাৰ সংখ্যা আৰু সময় সূচী বিদ্যালয়সমূহে নিজৰ সুবিধা অনুসৰি নিৰ্ধাৰণ কৰিব পাৰিব। কিন্তু ছয়মাহিলি আৰু বছৰেকীয়া পৰীক্ষাৰ পাঠ পৰিকল্পনা তথা পাঠ্যক্ৰম সকলো বিদ্যালয়তে একে হ'ব।

# বন্ধৰ তালিকা, ২০২০

| | | |
|---|---|---|
| ১৪, ১৫, ১৬ জানুৱাৰী, মঙল-বৃহস্পতি | : | ভোগালী বিহু (৩) |
| ২১ ফেব্ৰুৱাৰী, শুক্ৰ | : | শিৱৰাত্ৰি (১) |
| ৯, ১০ মাৰ্চ, সোম-মঙল | : | ফাকুৱা আৰু দৌলযাত্ৰা (২) |
| ১২-১৬ এপ্ৰিল, দেও-বৃহস্পতি | : | ৰঙালী বিহু (৫) |
| ১ মে', শুক্ৰ | : | মে' দিৱস (১) |
| ২৫ মে', সোম | : | ঈদ-উল-ফিটৰ (১) |
| ৭-৩১ জুলাই, মঙল-শুক্ৰ | : | গৰমৰ বন্ধ (২৫) |
| ১৩-২৮ জুলাই, সোম-মঙল | : | কাৰ্য্যালয় বন্ধ |
| ৩১ জুলাই, শুক্ৰ | : | ঈদ-উজ্-জুহা (১) |
| ১২ আগষ্ট, বুধ | : | জন্মাষ্টমী (১) |
| ১৫ আগষ্ট, শনি | : | স্বাধীনতা দিৱস (১) |
| ২০ আগষ্ট, বৃহস্পতি | : | শ্ৰীমন্ত শংকৰদেৱৰ তিথি (১) |
| ১৭ ছেপ্টেম্বৰ, বৃহস্পতি | : | বিশ্বকৰ্মা পূজা (১) |
| ২ অক্ট'বৰ, শুক্ৰ | : | গান্ধী জয়ন্তী (১) |
| ১৮ অক্ট'বৰ, দেও | : | কাতি বিহু (১) |
| ২২-২৭ অক্ট'বৰ, বৃহস্পতি-মঙল | : | দুৰ্গা পূজা (৬) |
| ৩০ অক্ট'বৰ, শুক্ৰ | : | লক্ষ্মী পূজা (১) |
| ৯ নৱেম্বৰ, সোম | : | বিদ্যালয় চৌহদ পৰিপাটিকৰণৰ বাবে বন্ধ (১) |
| ১৪ নৱেম্বৰ, শনি | : | কালী পূজা (১) |
| ৫-৩১ ডিছেম্বৰ, শনি-বৃহস্পতি | : | শীতৰ বন্ধ (ছাত্ৰ-ছাত্ৰীৰ বাবে) |
| ১৮-২৯ ডিছেম্বৰ, শুক্ৰ-মঙল | : | শীতৰ বন্ধ (শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে) |
| ২৪-২৯ ডিছেম্বৰ, বৃহস্পতি-মঙল | : | কাৰ্য্যালয় বন্ধ |

গৰমৰ বন্ধত ১০ জুলাইলৈকে, গৰমৰ বন্ধৰ শেষৰ দুদিন আৰু ডিছেম্বৰ মাহত ২৩ তাৰিখলৈ কাৰ্য্যালয় খোলা থাকিব। কৰ্মচাৰীসকলে বিদ্যালয়ত সময়মতে উপস্থিত থাকি চৌহদ, শ্ৰেণীকোঠাৰ লগতে অন্যান্য কৰ্তব্যসমূহ সম্পাদন কৰিব। গৰমৰ বন্ধ আৰু শীতৰ বন্ধৰ শেষৰ দুদিন অধ্যক্ষ, প্ৰধান শিক্ষক আৰু উপাধ্যক্ষই বিদ্যালয়ত উপস্থিত থাকি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব।

সৰস্বতী পূজা আৰু প্ৰতিষ্ঠা দিৱসত কাৰ্য্যালয় বন্ধ থাকিব।

**শেষ পৃষ্ঠাৰ কেলেণ্ডাৰত থকা দেওবাৰৰ লগতে ৰঙা ৰঙেৰে চিহ্নিত আন সকলো দিনতেই বিদ্যালয়ৰ পাঠদান বন্ধ থাকিব।**

# পালন কৰিবলগীয়া দিৱস আৰু অনুষ্ঠান

| | | |
|---|---|---|
| বিদ্যালয়ৰ নিৰ্ধাৰিত দিনত | : | প্ৰতিষ্ঠা দিৱস |
| ১৭ জানুৱাৰী, শুক্ৰ | : | শিল্পী দিৱস |
| ২৬ জানুৱাৰী, দেও | : | গণৰাজ্য দিৱস |
| ৩০ জানুৱাৰী, বৃহস্পতি | : | সৰস্বতী পূজা |
| ২৮ ফেব্ৰুৱাৰী, শুক্ৰ | : | বিজ্ঞান দিৱস |
| ১১ এপ্ৰিল, শনি | : | লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতিত সাহিত্য দিৱস |
| ২০ জুন, শনি | : | বিষ্ণু ৰাভা দিৱস |
| ১৫ আগষ্ট, শনি | : | স্বাধীনতা দিৱস |
| ৫ ছেপ্টেম্বৰ, শনি | : | শিক্ষক দিৱস |
| ৭ ছেপ্টেম্বৰ, সোম | : | মহাপুৰুষ দিৱস |
| ৫ নৱেম্বৰ, বৃহস্পতি | : | ভূপেন হাজৰিকা দিৱস |
| ৭ নৱেম্বৰ, শনি | : | গীত-মাতৰ গধূলি, বৃত্তি আৰু বঁটা বিতৰণ |
| ১৪ নৱেম্বৰ, শনি | : | শিশু দিৱস। (১৩ নৱেম্বৰ শুক্ৰবাৰে পালন কৰা হ'ব।) |

# জানুৱাৰী

| | |
|---|---|
| | • প্ৰতিষ্ঠা দিৱস : বিদ্যালয়ৰ নিৰ্ধাৰিত দিনত। |
| ১, বুধ | • ২০২০ শিক্ষাবৰ্ষৰ শৈক্ষিক দিনপঞ্জী আৰু পাঠ পৰিকল্পনা অসম জাতীয় বিদ্যালয়ৰ ৱেবছাইটত প্ৰকাশ। |
| | • নিয়মীয়া পাঠদান আৰম্ভ। |
| | • প্ৰথম ৭-১০ দিন অংকুৰ শ্ৰেণীৰ ছুটীৰ সময় ১০:৩০ বজা। অভিভাৱক-অভিভাৱিকাই ছুটীৰ পিছত শিশুসকলক লৈ যাব পাৰিব। |
| ২, বৃহস্পতি | • অংকুৰৰ শিক্ষাৰ্থীৰ বাবে 'শিক্ষাৰ্থীৰ বিতং তথ্য'ৰ প্ৰ-পত্ৰ অভিভাৱকলৈ প্ৰেৰণ। |
| ৩, শুক্ৰ | • বিদ্যালয়সমূহলৈ শৈক্ষিক দিনপঞ্জী, পাঠ পৰিকল্পনা আৰু অন্যান্য জাননী, প্ৰ-পত্ৰ আদি প্ৰেৰণ। |
| ৬, সোম | • হিচাপ বিভাগৰ পৰা শ্ৰেণী-শাখা অনুযায়ী শিক্ষাৰ্থীৰ নামভৰ্তি নবীকৰণ, নতুন নামভৰ্তিকৰণৰ তালিকা প্ৰধান শিক্ষক/অধ্যক্ষক দাখিল। শ্ৰেণী শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰধান শিক্ষক/অধ্যক্ষৰ পৰা এই তালিকা সংগ্ৰহ কৰি শিক্ষাৰ্থীৰ উপস্থিতিৰ খতিয়ান বহীত লিপিবদ্ধ কৰিব। |
| ১০, শুক্ৰ | • সৰস্বতী পূজাৰ দায়িত্ব বিতৰণ। |
| | • বাৰ্ষিক খেল-ধেমালি উপলক্ষে অনুষ্ঠিত হ'বলগীয়া বিভিন্ন খেলৰ বিষয়ে জাননী জাৰি। |
| ১১, শনি | • অংকুৰৰ বাহিৰে অন্যান্য শ্ৰেণীত নতুনকৈ নামভৰ্তি হোৱা শিক্ষাৰ্থীৰ অভিভাৱক-অভিভাৱিকাৰ সৈতে সভা। দিনৰ ১২:৩০ বজাৰ পৰা। |
| | • বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ/আলোচনীৰ সম্পাদনা সমিতি গঠন। (শিক্ষাৰ্থীসকলৰ মাজৰ পৰা) |
| ১৩, সোম | • বিদ্যালয়ৰ বিভিন্ন কাৰ্য্যসূচীৰ বাবে তত্ত্বাৱধায়ক শিক্ষক-শিক্ষয়িত্ৰীক একোগৰাকী আহ্বায়কৰ অধীনত দায়িত্ব অৰ্পণ। এনে কাম-কাজৰ খতিয়ানৰ বাবে আহ্বায়কগৰাকী দায়বদ্ধ থাকিব। |
| ১৩, সোম | • ভোগালী চ'ৰা। ভোগালী চ'ৰাৰ সময় ৯:০০ বজাৰ পৰা ১১:৫৫ বজালৈ। |

| | | |
|---|---|---|
| ১৪-১৬, মঙল-বৃহস্পতি | ● | ভোগালী বিহুৰ বন্ধ। |
| ১৭, শুক্র | ● | **শিল্পী দিৱস** উদ্‌যাপন। |
| ২০, সোম | ● | অংকুৰৰ শিশুসকলৰ 'শিক্ষাৰ্থীৰ বিতং তথ্য' কিতাপ-পত্রৰ সৈতে প্ৰাক্-বিদ্যালয়ৰ শিক্ষয়িত্রীৰ ওচৰত অভিভাৱক-অভিভাৱিকাসকলে জমা দিব। |
| ২২,২৩,২৪,২৫, ২৭, বুধ-সোম | ● | **বাৰ্ষিক খেল-ধেমালি উদ্‌যাপন**। |
| ২৬, দেও | ● | **গণৰাজ্য দিৱস**। পুৱা ৭:৩০ বজাত বিদ্যালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন। শিক্ষক-কৰ্মচাৰী, শিক্ষাৰ্থী, অভিভাৱক-অভিভাৱিকাৰ উপস্থিতি বিশেষভাৱে বাঞ্ছনীয়। শিক্ষাৰ্থীসকলে ইউনিফৰ্ম পিন্ধি আহিব। |
| ২৯, বুধ | ● | বিদ্যালয় ছুটীৰ পিছত সৰস্বতী পূজাৰ প্ৰস্তুতি। নৱমৰ পৰা একাদশ শ্ৰেণীৰ আগ্ৰহী শিক্ষাৰ্থীসকলে পূজাৰ প্ৰস্তুতিৰ কাম কৰিব। গধূলি ৭:০০ বজাৰ ভিতৰত শেষ কৰিব। |
| ৩০, বৃহস্পতি | ● | **সৰস্বতী পূজা পালন**। |

## ফেব্ৰুৱাৰী

| | | |
|---|---|---|
| ১, শনি | ● | ১১ এপ্ৰিলত পাতিবলগীয়া সাহিত্য দিৱসৰ প্ৰস্তুতি চলাবলৈ শিক্ষক-শিক্ষয়িত্ৰীৰ সভা, ১২:৩০ বজাৰ পৰা। ২০ মাৰ্চৰ ভিতৰত প্ৰতিযোগিতাৰ জাননী আৰু ছাত্ৰ-ছাত্ৰীলৈ পৰামৰ্শ। বাতৰিকাকতলৈ অসম জাতীয় বিদ্যালয়ৰ উদ্যোগত পাতিবলগীয়া আন্তঃবিদ্যালয় সাহিত্য প্ৰতিযোগিতা সম্পৰ্কীয় বাতৰি প্ৰেৰণ। |
| ৮, শনি | ● | অংকুৰৰ শিশুসকলৰ 'শিক্ষাৰ্থীৰ বিতং তথ্য'ৰ ওপৰত প্ৰাক্-বিদ্যালয়ৰ শিক্ষয়িত্ৰীসকলৰ পৰিচালনা সমিতিৰ সভাপতি/ সচিব/অধ্যক্ষ/প্ৰধান শিক্ষক/ ৰেক্টৰ/শৈক্ষিক বিষয়াৰ লগত আলোচনা। সময় : দিনৰ ১২:৩০ বজা। |
| ১৫, শনি | ● | পৰিচালনা সমিতিৰ সভাপতি/সচিব/অধ্যক্ষ/প্ৰধান শিক্ষক/ ৰেক্টৰ/শৈক্ষিক বিষয়াৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সভা। সময় : দিনৰ ১২:৩০ বজা। |

| | | |
|---|---|---|
| ২১, শুক্ৰ | ● | শিৱৰাত্ৰিৰ বন্ধ। |
| ২২, শনি | ● | সহ-পাঠ্যক্ৰম বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে পৰিচালনা সমিতিৰ সভাপতি/সচিব/অধ্যক্ষ/প্ৰধান শিক্ষক/ৰেক্টৰ/ শৈক্ষিক বিষয়াৰ সভা ১০:৩০ বজাৰ পৰা। |
| ২৬, বুধ | ● | এজবেক **শিক্ষক প্ৰশিক্ষণ** সম্পৰ্কীয় জাননী ৱেবছাইটত প্ৰকাশ। |
| ২৬,২৭, বুধ-বৃহস্পতি | ● | বিজ্ঞান দিৱসৰ প্ৰস্তুতি। ২৬ তাৰিখে ৩য় পিৰিয়ডৰ পৰা, পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ প্ৰস্তুতিৰ কাম আৰম্ভ হ'ব। ২৭ তাৰিখে পঞ্চমৰ পৰা দশম শ্ৰেণীলৈ প্ৰথম পিৰিয়ডৰ পৰা প্ৰস্তুতিৰ কাম কৰিব। |
| | ● | অংকুৰৰ পৰা চতুৰ্থ শ্ৰেণীলৈ নিয়মীয়া পাঠদান হ'ব। |
| ২৮, শুক্ৰ | ● | **বিজ্ঞান দিৱস উপলক্ষে বিজ্ঞান প্ৰদৰ্শনীৰ আয়োজন**। |
| ২৯, শনি | ● | বাৰ্ষিক খেল-ধেমালিৰ বঁটা-বিতৰণী অনুষ্ঠান, ১০:৩০ বজাৰ পৰা। প্ৰথম দুটা পিৰিয়ডত সহ-পাঠ্যক্ৰমৰ শ্ৰেণীসমূহ অনুষ্ঠিত হ'ব। |

## মাৰ্চ

| | | |
|---|---|---|
| ৭, শনি | ● | পৰিয়াল পৰিচয় ভ্ৰমণ আৰম্ভ (অংকুৰৰ বাহিৰে)। ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব। |
| ৯, ১০ সোম-মঙল | ● | ফাকুৱা আৰু দৌলযাত্ৰাৰ বন্ধ। |
| ১১-১৩, বুধ-শুক্ৰ | ● | শিক্ষাৰ্থীৰ দ্বাৰা শিক্ষক-শিক্ষয়িত্ৰীৰ মূল্যায়ন। (ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ) |
| ১৪, শনি | ● | **অংকুৰ, প্ৰাক্-প্ৰাথমিক, প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সৈতে সভা।** |
| ১৭, মঙল | ● | পুৱাৰ সমাৱেশত বিজ্ঞান দিৱসৰ ফল ঘোষণা আৰু পুৰস্কাৰ বিতৰণ : (৫মৰ পৰা ৭ম শ্ৰেণীলৈ)। |
| ১৮, বুধ | ● | পুৱাৰ সমাৱেশত বিজ্ঞান দিৱসৰ পুৰস্কাৰ বিতৰণ (অষ্টমৰ পৰা একাদশ শ্ৰেণীলৈ)। |
| ২১,২২, শনি-দেও | ● | **এজবেক শিক্ষক প্ৰশিক্ষণ, বিষয় : প্ৰাক্-বিদ্যালয় শিক্ষা।** প্ৰথমদিনা পুৱা ১০:০০ বজাৰপৰা বিয়লি ৫:০০ বজালৈ। দ্বিতীয়দিনা পুৱা ৯:০০ বজাৰপৰা বিয়লি ৪:০০ বজালৈ। |

২২, দেও • **এজবেক শিক্ষক প্ৰশিক্ষণ, বিষয় : হিন্দী আৰু সুকুমাৰ কলা।**
পুৱা ১০:০০ বজাৰপৰা বিয়লি ৪:০০ বজালৈ।

২৩, সোম • বাৰ্ষিক সাহিত্য প্ৰতিযোগিতাৰ বিষয়বস্তু নিৰ্দ্দিষ্টকৈ জাননীত উল্লেখ কৰি প্ৰতিগৰাকী শিক্ষাৰ্থীলৈ জাননীৰ একোটাকৈ কপি বিতৰণ।

২৮, শনি • প্ৰদৰ্শনীমূলক কুইজ প্ৰতিযোগিতা। ষষ্ঠৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে। ১০:৩০ বজাৰ পৰা ১:৩০ বজালৈ। প্ৰথম দুটা পিৰিয়ডত সহ-পাঠ্যক্ৰমৰ শ্ৰেণীসমূহ অনুষ্ঠিত হ'ব।

# এপ্ৰিল

৪, ৫ শনি-দেও • হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ বাবে **অভিজ্ঞান শিবিৰ**।

৫, দেও • উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ **অভিজ্ঞান সভা**।

১০, শুক্ৰ • যোৱা তিনি মাহত ৯০ শতাংশতকৈ কম উপস্থিতি থকা ছাত্ৰ-ছাত্ৰীৰ বিষয়ে শ্ৰেণী শিক্ষকৰ দ্বাৰা অভিভাৱকলৈ জাননী।

১১, শনি • **সাহিত্য দিৱস উদ্‌যাপন**, পুৱা ১০:৩০ বজাৰ পৰা দুপৰীয়া ১:০০ বজালৈ। প্ৰথম দুটা পিৰিয়ডত সহ-পাঠ্যক্ৰমৰ শ্ৰেণীসমূহ অনুষ্ঠিত হ'ব।
• প্ৰাচীৰ পত্ৰিকা উন্মোচন।

১২-১৬, দেও-বৃহস্পতি • ৰঙালী বিহুৰ বন্ধ।

১৮, শনি • বিশিষ্ট ব্যক্তিৰ সৈতে ৩য়-৫ম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কথোপকথন। পুৱা ১০:৩০ বজাৰ পৰা দুপৰীয়া ১২:১৫ বজালৈ। প্ৰথম দুটা পিৰিয়ডত সহ-পাঠ্যক্ৰমৰ শ্ৰেণীসমূহ অনুষ্ঠিত হ'ব।
• **তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সৈতে সভা; দুপৰীয়া ১২:৩০ বজাৰ পৰা।**

২০-২৩, সোম-বৃহস্পতি
- **বিদ্যালয়ৰ বাৰ্ষিক প্ৰতিযোগিতা।** (গীত, নৃত্য, সাহিত্য, তৰ্ক, কুইজ ইত্যাদি)।

২৪, শুক্ৰ
- গৃহ-পৰিদৰ্শনৰ প্ৰ-পত্ৰসমূহ শ্ৰেণী শিক্ষক-শিক্ষয়িত্ৰীয়ে অধ্যক্ষৰ ওচৰত দাখিল কৰিব।

২৫, শনি
- ছয়মাহিলি পৰীক্ষাৰ প্ৰশ্নকাকত বিভাগীয় মুৰব্বীৰ জৰিয়তে পৰীক্ষা নিয়ন্ত্ৰণ কক্ষত দাখিল।
- বিশিষ্ট ব্যক্তিৰ সৈতে ৬ষ্ঠ-৭ম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কথোপকথন। কাৰ্য্যসূচী পুৱা ১০:৩০ বজাৰ পৰা দুপৰীয়া ১২:১৫ বজালৈ। প্ৰথম দুটা পিৰিয়ডত সহ-পাঠ্যক্ৰমৰ শ্ৰেণীসমূহ অনুষ্ঠিত হ'ব।
- **ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সৈতে সভা : দুপৰীয়া ১২:৩০ বজাৰ পৰা।**

২৬, দেও
- এজবেকৰ নীতি-নিৰ্দেশনাৰ আধাৰত প্ৰতিষ্ঠিত বিদ্যালয় -সমূহৰ একোগৰাকীকৈ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে পুৱা ১০:০০ বজাৰ পৰা বিয়লি ২:০০ বজালৈ প্ৰতিনিধিত্বমূলক সভা। স্থান : অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী। অংশগ্ৰহণকাৰীসকলে ৫ দিন আগতে ফ'ন কৰি জনাব।

২৮, মঙল
- সৰু সৰু গোটত ১০ম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ লগত সভাৰ আৰম্ভণি।
- পুথিভঁৰালৰ পৰিচয়-পত্ৰৰ নবীকৰণ।

# মে'

১, শুক্ৰ
- মে' দিৱসৰ বন্ধ।

২, শনি
- বিশিষ্ট ব্যক্তিৰ সৈতে ৮মৰ পৰা ১০মলৈ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কথোপকথন। পুৱা ১০:৩০ বজাৰ পৰা দুপৰীয়া ১২:১৫ বজালৈ। প্ৰথম দুটা পিৰিয়ডত সহ-পাঠ্যক্ৰমৰ শ্ৰেণীসমূহ অনুষ্ঠিত হ'ব।
- **৮ম আৰু ৯ম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সৈতে সভা, দুপৰীয়া ১২:৩০ বজাৰ পৰা।**

| | |
|---|---|
| ২৩, শনি | • পৰিচালনা সমিতিৰ সভাপতি/সচিব/অধ্যক্ষ/প্ৰধান শিক্ষক/ৰেক্টৰ/শৈক্ষিক বিষয়াৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰীৰ সভা। পাঠদানৰ অগ্ৰগতি, পৰিয়াল-পৰিচয় ভ্ৰমণ আৰু অন্যান্য বিষয় সম্পৰ্কে আলোচনা। |
| | • নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সৈতে বিশেষ সভা। |
| ২৫, সোম | • ঈদ-উল-ফিটৰৰ বন্ধ। |
| ২৮, বৃহস্পতি | • **ৱেবছাইটত ছয়মাহিলি পৰীক্ষাৰ ৰুটিন প্ৰকাশ।** |
| ৩০, শনি | • ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ প্ৰদৰ্শনীমূলক তৰ্ক প্ৰতিযোগিতা। পুৱা ১০:৩০ বজাৰ পৰা বিয়লি ২:৩৫ বজালৈ। প্ৰথম দুটা পিৰিয়ডত সহ-পাঠ্যক্ৰমৰ শ্ৰেণীসমূহ অনুষ্ঠিত হ'ব। |

## জুন

| | |
|---|---|
| ১৫, সোম | • বিদ্যালয়ৰ মুখপত্ৰ/আলোচনীৰ বাবে পৰৱৰ্তী সংখ্যাৰ লেখা বিচাৰি জাননী। (লেখা জমা দিয়াৰ শেষ তাৰিখ ৭ আগষ্ট) |
| | • ছয়মাহিলি পৰীক্ষাৰ প্ৰৱেশ-পত্ৰ বিতৰণ। (শ্ৰেণী শিক্ষক-শিক্ষয়িত্ৰীৰ জৰিয়তে) |
| ২০, শনি | • **বিষ্ণু ৰাভা দিৱস উদ্‌যাপন**। প্ৰাচীৰ পত্ৰিকা উন্মোচন। পুৱা ১০:৩০ বজাৰ পৰা দুপৰীয়া ১২:৩০ বজালৈ। প্ৰথম দুটা পিৰিয়ডত সহ-পাঠ্যক্ৰমৰ শ্ৰেণীসমূহ অনুষ্ঠিত হ'ব। |
| ২২, ২৩, সোম-মঙল | • ছয়মাহিলি পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে অংকুৰ, প্ৰাক্-প্ৰাথমিকৰ বাহিৰে আন শ্ৰেণীসমূহ বন্ধ থাকিব। |
| ২৪,২৫,২৬,২৭, ২৯,৩০, বুধ-মঙল | • **ছয়মাহিলি পৰীক্ষা। (২৪ জুনৰপৰা ৪ জুলাইলৈ)** পৰীক্ষাৰ দিনকেইটাত ১ম-১০ম শ্ৰেণীত পাঠদান বন্ধ থাকিব। |
| ২৭, শনি | • বছৰটোৰ বিভিন্ন কামৰ বাবে দায়িত্বপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কাম-কাজৰ অগ্ৰগতি সম্পৰ্কে আহ্বায়কসকলে অধ্যক্ষ/উপাধ্যক্ষ/প্ৰধান শিক্ষকৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব। |

# জুলাই

| | | |
|---|---|---|
| ১,২,৩,৪ বুধ-শনি | ● | **ছয়মাহিলি পৰীক্ষা। (২৪ জুনৰপৰা ৪ জুলাইলৈ)** |
| ৬, সোম | ● | প্ৰথম দুটা পিৰিয়ডৰ শ্ৰেণীসমূহ অনুষ্ঠিত হ'ব। |
| | ● | অংকুৰৰ পৰা ৫মলৈ গৰমৰ বন্ধ উপলক্ষে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মুকলি ভাব-বিনিময়; পুৱা ১০:৩০ বজাৰ পৰা। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ নিয়মীয়া পাঠদান চলি থাকিব। |
| | ● | পৰিচালনা সমিতিৰ সভাপতি, সচিব, অধ্যক্ষ/ৰেক্টৰ/প্ৰধান শিক্ষক আৰু শৈক্ষিক বিষয়াৰ সৈতে বিভাগীয় মুৰব্বী, আহ্বায়ক আৰু সমন্বয়কসকলৰ সভা। দুপৰীয়া ১২:৩০ বজাৰ পৰা। |
| ৭-৩১ মঙল-শুক্ৰ | ● | গৰমৰ বন্ধ, শিক্ষাৰ্থীৰ বাবে। |
| ১৩-২৮ সোম-মঙল | ● | কাৰ্য্যালয় বন্ধ। |
| ৭, মঙল | ● | **দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সৈতে বিশেষ সভা।** |
| ৮-১২, বুধ-দেও | ● | **এজবেকৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী।**<br>বিষয় : ইংৰাজী, গণিত, বিজ্ঞান, অসমীয়া, সমাজ বিজ্ঞান। প্ৰশিক্ষণৰ সময় : প্ৰথম দিনৰ কাৰ্য্যসূচী পুৱা ১০:০০ বজাৰ পৰা বিয়লি ৫:০০ বজালৈ, দ্বিতীয় দিনৰ কাৰ্য্যসূচী পুৱা ৯:০০ বজাৰ পৰা বিয়লি ৪:০০ বজালৈ। (ইংৰাজী বিষয়ৰ প্ৰশিক্ষণ তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব। তৃতীয় দিনৰ কাৰ্যসূচী পুৱা ৯:০০ বজাৰ পৰা বিয়লি ৪:০০ বজালৈ।) |
| ৩১, শুক্ৰ | ● | ঈদ-উজ-জুহাৰ বন্ধ। |

# আগষ্ট

| | | |
|---|---|---|
| ১, শনি | ● | গৰমৰ বন্ধৰ পিছত শ্ৰেণী আৰম্ভ। |
| ৩, সোম | ● | যোৱা চাৰি মাহত (এপ্ৰিল-জুলাই) অংকুৰৰ পৰা দশমলৈ ৯০ শতাংশতকৈ কম উপস্থিতি থকা আৰু যোৱা তিনি |

মাহত (মে’-জুলাই) দ্বাদশ শ্ৰেণীৰ ৯০ শতাংশতকৈ কম উপস্থিতি থকা শিক্ষাৰ্থীৰ অভিভাৱকলৈ জাননী।

৪, মঙল • অংকুৰ, প্ৰাক্-প্ৰাথমিকৰ অভিমত-টোকা প্ৰদান। সময় পুৱা : ৯:০০ বজাৰ পৰা ১০:৩০ বজা। শিক্ষাৰ্থীৰ লগতে অভিভাৱকৰ উপস্থিতি বাধ্যতামূলক।

৫, বুধ • ছয়মাহিলি পৰীক্ষাৰ উত্তৰ বহী ঘূৰাই দিয়াৰ শেষ তাৰিখ।

৭, শুক্ৰ • বাৰ্ষিক আলোচনী/মুখপত্ৰৰ বাবে লেখা জমা দিয়াৰ শেষ তাৰিখ।

১২, বুধ • শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ বন্ধ।

১৫, শনি • **স্বাধীনতা দিৱস**। পুৱা ৭:৩০ বজাত বিদ্যালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন। শিক্ষক-কৰ্মচাৰী, শিক্ষাৰ্থী, অভিভাৱকসকলৰ উপস্থিতি বিশেষভাৱে বাঞ্ছনীয়। শিক্ষাৰ্থীসকলে ইউনিফৰ্ম পিন্ধি আহিব।

১৭, সোম • ৫ ছেপ্টেম্বৰত পাতিবলগীয়া শিক্ষক-দিৱসৰ দায়িত্ব ল’বলৈ নৱম শ্ৰেণীক জাননী। প্ৰধান শিক্ষক/অধ্যক্ষই নৱম শ্ৰেণীৰ শ্ৰেণী শিক্ষক-শিক্ষয়িত্ৰীসকলক তত্ত্বাৱধায়ক হিচাপে দায়িত্ব দিব। প্ৰস্তুতিৰ কাম পৰাপক্ষত বিৰতিৰ সময়ত আৰু শনিবাৰে পিছবেলা কৰিব যাতে পাঠদান ব্যাহত নহয়।

২০, বৃহস্পতি • শ্ৰীমন্ত শংকৰদেৱৰ তিথিৰ বন্ধ।

২২, শনি • ১০ম শ্ৰেণীৰ শিক্ষাৰ্থীৰ গৃহ-পৰিদৰ্শনৰ আৰম্ভণি।

২৯, শনি • দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সৈতে বিশেষ সভা।

• পৰিচালনা সমিতিৰ সভাপতি/সচিব/অধ্যক্ষ/প্ৰধান শিক্ষক/ ৰেক্টৰ/শৈক্ষিক বিষয়াৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰীৰ সভা। ছয়মাহিলি পৰীক্ষাৰ পৰ্য্যালোচনা দুপৰীয়া ১২:৩০ বজাৰ পৰা।

## ছেপ্টেম্বৰ

৫, শনি • **শিক্ষক দিৱস পালন**।

• **শিক্ষকক সম্বৰ্দ্ধনা জনাবলৈ শিক্ষাৰ্থীসকলে কোনো ধৰণৰ ক্ৰয় কৰা সামগ্ৰী আনিব নালাগে। তাৰ পৰিৱৰ্তে নিজ হাতে প্ৰস্তুত কৰা, কম খৰচী সামগ্ৰীৰ ব্যৱহাৰ আদৰণীয়।**

| | |
|---|---|
| ৭, সোম | • **মহাপুৰুষ দিৱস উদযাপন।** |
| ১৭, বৃহস্পতি | • বিশ্বকৰ্মা পূজাৰ বন্ধ। |
| ১৯, শনি | • প্ৰদৰ্শনীমূলক বক্তৃতা প্ৰতিযোগিতা : ষষ্ঠৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে। |
| ২১, সোম | • গীত-মাতৰ গধূলিৰ কাৰ্য্যসূচী নিৰ্ধাৰণ। শিক্ষক-শিক্ষয়িত্ৰীক দায়িত্ব বিতৰণ। নিমন্ত্ৰণী-পত্ৰ ছপাৰ কাম। |
| | • গীত-মাতৰ গধূলিৰ কাৰ্য্যসূচী সম্পৰ্কত শিক্ষক-শিক্ষয়িত্ৰীৰ সভা, ছুটীৰ পিছত। |
| ২৫, শুক্ৰ | • প্ৰদৰ্শনীৰ প্ৰস্তুতিৰ বাবে অংকুৰ আৰু প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ বন্ধ। |
| ২৬, শনি | • অংকুৰ আৰু প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ প্ৰদৰ্শনী। |
| ২৭, দেওঁ | • এজবেকৰ নীতি-নিৰ্দেশনাৰ আধাৰত প্ৰতিষ্ঠিত বিদ্যালয় -সমূহৰ একোগৰাকীকৈ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে পুৱা ১০:০০ বজাৰ পৰা বিয়লি ২ বজালৈ প্ৰতিনিধিত্বমূলক সভা। অংশগ্ৰহণকাৰীসকলে ৫ দিন আগতে ফ'ন কৰি জনাব। স্থান : অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী। |

## অক্ট'বৰ

| | |
|---|---|
| ২, শুক্ৰ | • গান্ধী জয়ন্তীৰ বন্ধ। |
| ৩, শনি | • বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকত বিভাগীয় মুৰব্বীৰ জৰিয়তে পৰীক্ষা নিয়ন্ত্ৰণ কক্ষত দাখিল। |
| | • সহ-পাঠ্যক্ৰম বিভাগৰ বিভিন্ন বিষয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ কাৰ্য্যসূচী **কলা সংগম**। |
| ৭, বুধ | • অধ্যক্ষ/প্ৰধান শিক্ষকৰ হাতত বাৰ্ষিক মুখপত্ৰ/আলোচনীৰ ডামি কপি দাখিল। |
| ১৮, দেওঁ | • কাতি বিহুৰ বন্ধ। |
| ২২-২৭, বৃহস্পতি-মঙল | • দুৰ্গা পূজাৰ বন্ধ। |
| ২৯, বৃহস্পতি | • ৱেবছাইটত বছৰেকীয়া পৰীক্ষাৰ ৰুটিন প্ৰকাশ। |
| | • যোৱা দুটা মাহত বিদ্যালয়ত ৯০ শতাংশতকৈ কম উপস্থিতি |

| | | |
|---|---|---|
| | | থকা ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকলৈ শ্ৰেণী শিক্ষক-শিক্ষয়িত্ৰীৰদ্বাৰা যোগাযোগৰ বহীত জাননী। উপস্থিতি ৯০ শতাংশতকৈ কম হ'লে পৰীক্ষা দিবলৈ দিয়া নহ'ব। |
| ৩০, শুক্ৰ | ● | লক্ষ্মীপূজাৰ বন্ধ। |
| ৩১, শনি | ● | **আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা**। পুৱা ১০:০০ বজাৰ পৰা। স্থান : অসম জাতীয় বিদ্যালয়, নুনমাটি। |
| | ● | বছৰটোৰ বিভিন্ন কামৰ বাবে দায়িত্বপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কাম-কাজৰ অগ্ৰগতি সম্পৰ্কে আহ্বায়কসকলে প্ৰধান শিক্ষক/অধ্যক্ষ ওচৰত প্ৰতিবেদন দাখিল কৰিব। অধ্যক্ষই পৰিচালনা সমিতিক দাখিল কৰিব। |

## নৱেম্বৰ

| | | |
|---|---|---|
| ২,৩,৪,৫,৬ সোম-শুক্ৰ | ● | বাৰ্ষিক গীত-মাতৰ গধূলিৰ আখৰা। |
| ৫, বৃহস্পতি | ● | **ভূপেন হাজৰিকা দিৱস।** |
| ৭ শনি | ● | **বাৰ্ষিক গীত-মাতৰ গধূলি**।বছৰটোৰ বৃত্তি আৰু শৈক্ষিক কৃতিত্বৰ পুৰস্কাৰ বিতৰণ।<br>বিদ্যালয়ৰ বাৰ্ষিক আলোচনী/মুখপত্ৰ উন্মোচন। |
| ১১ বুধ | ● | বছৰেকীয়া পৰীক্ষাৰ বাবে প্ৰৱেশ-পত্ৰ বিতৰণ। (শ্ৰেণী শিক্ষক-শিক্ষয়িত্ৰীৰ জৰিয়তে) |
| ১৩, শুক্ৰ | ● | **শিশু দিৱস উদ্‌যাপন**। (১৪ নৱেম্বৰত কালি পূজাৰ বন্ধ) |
| | ● | শিক্ষামূলক ভ্ৰমণৰ বিষয়ে অধ্যক্ষ/উপাধ্যক্ষ/প্ৰধান শিক্ষকৰ লগত দায়িত্বপ্ৰাপ্ত শিক্ষকসকলৰ আলোচনা। |
| | ● | হাতেলিখা আলোচনীৰ প্ৰদৰ্শনী। |
| | ● | ভাস্কৰ্য আৰু শিল্পকলাৰ প্ৰদৰ্শনী। |
| ১৪, শনি | ● | কালী পূজাৰ বন্ধ। |
| ১৭, মঙল | ● | শিশু দিৱসৰ বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ। |
| ১৮, বুধ | ● | শিক্ষক-শিক্ষয়িত্ৰীৰ দিক্‌বলন কৰ্মশালা। পুৱা ৯-০০ বজাৰ পৰা বিয়লি ২:৩০ বজালৈ। (অংকুৰ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ পাঠদান বন্ধ থাকিব।) |

- ১৯ নৱেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ অংকুৰ, প্ৰাক্-প্ৰাথমিকৰ শ্ৰেণীসমূহ বন্ধ থাকিব।

১৯, বৃহস্পতি
- বছৰেকীয়া পৰীক্ষাৰ প্ৰস্তুতি। প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ বন্ধ।

২১,২৩,২৪,২৫, ২৬,২৭,২৮,৩০, শনি-সোম
- **বছৰেকীয়া পৰীক্ষা। ১মৰ পৰা ৮ম শ্ৰেণীলৈ (বছৰেকীয়া পৰীক্ষা ২১ নৱেম্বৰৰ পৰা ৩ ডিচেম্বৰলৈ)**

**নৱম শ্ৰেণীৰ বছৰেকীয়া, দশম শ্ৰেণীৰ প্ৰাক্-চূড়ান্ত পৰীক্ষা :**

- **নৱম শ্ৰেণী**ৰ বছৰেকীয়া পৰীক্ষা আৰু **দশম শ্ৰেণী**ৰ প্ৰাক্-চূড়ান্ত পৰীক্ষা জিলা অধিবিদ্যা পৰিষদৰ সময়সূচী অনুসৰি অনুষ্ঠিত হ'ব।
- পৰীক্ষা আৰম্ভ হোৱাৰ ১৫ দিন আগৰ পৰা ৯ম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ বাবে প্ৰস্তুতিৰ ছুটী পাব। এনে ছুটীৰ আগদিনালৈকে শ্ৰেণীত উপস্থিতিৰ খতিয়ান লোৱা হ'ব আৰু প্ৰয়োজনীয় হিচাপৰ উপস্থিতি নাথাকিলে বছৰেকীয়া পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ দিয়া নহ'ব।
- দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয়ত পাঠদানৰ যিকোনো দিনত তেওঁলোকৰ লগত শিক্ষক-শিক্ষয়িত্ৰী আৰু অষ্টম-নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ আন্তৰিক ভাব বিনিময় অনুষ্ঠান। কাৰ্য্যসূচী ১২:৩০ বজাৰ পৰা ২:৩৫ বজালৈ।

# ডিচেম্বৰ

১,২,৩, মঙল-বৃহস্পতি
- **বছৰেকীয়া পৰীক্ষা। ১ম-৮ম শ্ৰেণীলৈ (বছৰেকীয়া পৰীক্ষা ২১ নৱেম্বৰৰপৰা ৩ ডিচেম্বৰলৈ)**

১, মঙল
- অজাবি ন্যাসৰ কিতাপ বিতৰণৰ সময়সূচী ৱেবছাইটত প্ৰকাশ।

৫-৩১, শনি-বৃহস্পতি
- শীতৰ বন্ধ। (ছাত্ৰ-ছাত্ৰীৰ বাবে)

৫, শনি
- পৰৱৰ্তী শিক্ষাবৰ্ষৰ বাবে ক্লাছ ৰুটিনৰ প্ৰস্তুতি আৰম্ভ।

| | |
|---|---|
| | • সহ-পাঠ্যক্ৰম বিষয়ৰ উত্তৰ-বহী জমা দিয়াৰ লগতে পুনৰীক্ষণ (পুৱা ৯:০০ বজাৰ পৰা দুপৰীয়া ১২:০০ বজালৈ)। |
| ৬, দেও | • অসম জাতীয় বিদ্যালয় ন্যাসৰ দ্বাৰা প্ৰকাশিত কিতাপ বিতৰণ আৰম্ভ। |
| ৮, মঙল | • বছৰেকীয়া পৰীক্ষাৰ উত্তৰ-বহী অধ্যক্ষ/প্ৰধান শিক্ষক/পৰীক্ষা নিয়ন্ত্ৰণ কক্ষত জমা দিয়াৰ শেষ তাৰিখ। |
| ৯,১০,১১ বুধ-শুক্ৰ | • উত্তৰ-বহীৰ পুনৰীক্ষণ। (পুৱা ৯:০০ বজাৰ পৰা) |
| ১২, শনি | • বিদ্যালয়ৰ নিজা দিনপঞ্জী চূড়ান্তকৰণৰ বাবে পৰিচালনা সমিতি, অধ্যক্ষ/প্ৰধান শিক্ষক/ৰেক্টৰ/শৈক্ষিক বিষয়া/উপাধ্যক্ষ/বিভাগীয় মুৰব্বীসকলৰ সৈতে দায়িত্ববাহী শিক্ষক-শিক্ষয়িত্ৰীৰ বৈঠক। |
| ১২,১৪ শনি-সোম | • পৰীক্ষাৰ ফলাফলৰ প্ৰস্তুতি। (পুৱা ৯:০০ বজাৰ পৰা) |
| ১৩, দেও | • **পৰৱৰ্তী শিক্ষাবৰ্ষৰ বাবে ছাত্ৰ-ছাত্ৰীৰ প্ৰৱেশ পৰীক্ষা।** |
| ১৫, মঙল | • পৰীক্ষাৰ ফলাফলৰ পৰ্যালোচনাৰ বাবে পৰিচালনা সমিতিৰ সভাপতি/ সচিব/অধ্যক্ষ/প্ৰধান শিক্ষক/ৰেক্টৰ/শৈক্ষিক বিষয়াৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বৈঠক। দুপৰীয়া ১২:০০ বজাৰ পৰা। |
| ১৬, বুধ | • পৰৱৰ্তী বৰ্ষৰ বাবে নিজা শৈক্ষিক দিনপঞ্জী চূড়ান্তকৰণ আৰু ছপাশাললৈ প্ৰেৰণ। |
| ১৭, বৃহস্পতি | • **বছৰেকীয়া পৰীক্ষাৰ ফল ঘোষণা আৰু উত্তৰ-বহী বিতৰণ; অংকুৰ, প্ৰাক্-প্ৰাথমিকৰ অভিমত-টোকা প্ৰদান।** সময় পুৱা ১০:৩০ বজাৰ পৰা দুপৰীয়া ১২:০০ বজালৈ। অভিভাৱক লগত নহা ছাত্ৰ-ছাত্ৰীৰ হাতত মূল্যাংকন-পত্ৰ বা অভিমত টোকা দিয়া নহ'ব। অভিভাৱকৰ লগত শিক্ষাৰ্থী একেলগে আহিব। **অভিভাৱকৰ উপস্থিতি বাধ্যতামূলক (শিক্ষাৰ্থীসকলে বিদ্যালয়ৰ সাজ পিন্ধি আহিব লাগিব)।** ফল সংগ্ৰহ নকৰিলে কাৰ্য্যালয়ৰ পৰা ১৮ তাৰিখৰ ভিতৰত সংগ্ৰহ কৰিব লাগিব। অন্যথাই ১৯ তাৰিখৰ পৰা হ'বলগীয়া নামভৰ্তি নবীকৰণ কৰিব পৰা নহ'ব। |

| | |
|---|---|
| | ● শ্ৰেণী শিক্ষক-শিক্ষয়িত্ৰীসকলে ৰৈ যোৱা উত্তৰ বহী আৰু মূল্যাংকন-পত্ৰসমূহ বিয়লি ২:০০ বজাৰ পৰা বিয়লি ২:৩০ বজাৰ ভিতৰত পৰীক্ষা নিয়ন্ত্ৰণ কক্ষত/অধ্যক্ষক/প্ৰধান শিক্ষকৰ হাতত জমা দিব লাগিব। |
| | ● পৰৱৰ্তী প্ৰতিষ্ঠা দিৱসৰ বিষয়ে ব্লেক ব'ৰ্ডত জাননী। প্ৰতিষ্ঠা দিৱসত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি বাধ্যতামূলক, পুৱা ৮:৩০ বজাত উপস্থিত হ'ব লাগিব, অভিভাৱকসকললৈ নিমন্ত্ৰণ আদিৰ বিষয়ে জাননীত উল্লেখ থাকিব। |
| | ● **একাদশ শ্ৰেণীৰ পাঠদান বন্ধ থাকিব।** |
| ১৮-২৯ শুক্ৰ-মঙল | ● শীতৰ বন্ধ (শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে)। |
| ২৪-২৯ বৃহস্পতি-মঙল | ● কাৰ্য্যালয় বন্ধ। |
| ৩০, বুধ | ● প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি সম্পৰ্কে শিক্ষক-শিক্ষয়িত্ৰীৰ বৈঠক। সময় পুৱা ১০:০০ বজা। |
| ৩১, বৃহস্পতি | ● প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি।<br>● ২০২১ শিক্ষাবৰ্ষৰ শৈক্ষিক দিনপঞ্জী ৱেবছাইটত প্ৰকাশ। |

❖❖❖

# নামভৰ্তি নবীকৰণ, বছৰেকীয়া মাচুল জমা দিয়া, নতুন নামভৰ্তি আৰু কিতাপ-পত্ৰ সংগ্ৰহ কৰাৰ সময়সূচী, ২০২১

| তাৰিখ/ সময় | ৯:০০ ৰ পৰা ১০:৩০ লৈ | ১০:৪০ ৰ পৰা ১২:৪০ লৈ | ১:৩০ ৰ পৰা ৩:০০ লৈ |
|---|---|---|---|
| ১৯ ডিছেম্বৰ | প্ৰাক্-প্ৰাথমিক | প্ৰথম শ্ৰেণী | দ্বিতীয় শ্ৰেণী |
| ২০ ডিছেম্বৰ | তৃতীয় শ্ৰেণী | চতুৰ্থ শ্ৰেণী | পঞ্চম শ্ৰেণী |

| তাৰিখ/ সময় | ৯:০০ ৰ পৰা ১১:০০ লৈ | ১১:৩০ ৰ পৰা ২:০০ লৈ |
|---|---|---|
| ২১ ডিছেম্বৰ | ষষ্ঠ শ্ৰেণী | সপ্তম শ্ৰেণী |
| ২২ ডিছেম্বৰ | অষ্টম শ্ৰেণী | নৱম শ্ৰেণী |

| তাৰিখ/ সময় | ১০:০০ ৰ পৰা ১২:০০ লৈ | ১২:৩০ ৰ পৰা ১:৩০ লৈ | ১:৩০ ৰ পৰা ২:০০ লৈ |
|---|---|---|---|
| ২৫ ডিছেম্বৰ | প্ৰথম শ্ৰেণী (প্ৰৱেশ পৰীক্ষাৰদ্বাৰা নিৰ্বাচিত) | ষষ্ঠ আৰু অন্যান্য শ্ৰেণী (প্ৰৱেশ পৰীক্ষাৰদ্বাৰা নিৰ্বাচিত) | **অপেক্ষা তালিকাত নাম থকাসকলৰ নামভৰ্তি (যদিহে আসন খালী থাকে)।** |
| ৩১ ডিছেম্বৰ | দশম শ্ৰেণী | | |

- নবীকৰণৰ সময়ত বছৰেকীয়া পৰীক্ষাৰ মূল্যাংকন-পত্ৰ, এনৰোলমেণ্ট নম্বৰ তথা অভিমত-টোকা দেখুৱাব লাগিব।
- **নিৰ্দিষ্ট তাৰিখ আৰু সময়ত সংগ্ৰহ নকৰিলে কোনো শ্ৰেণীৰ বাবে নিৰ্দিষ্ট কৰা সময়ত আন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কিতাপ দিয়া আৰু মাচুল লোৱা নহয়। বৈ যোৱাসকলে জৰিমনাসহ নবীকৰণ মাচুল জমা দি জানুৱাৰী মাহত কিতাপ সংগ্ৰহ কৰিব লাগিব। পৰৱৰ্তী ২০ জানুৱাৰীৰ ভিতৰত নবীকৰণ নকৰিলে আসন বাতিল কৰা হ'ব।**

# কিছু গুৰুত্বপূৰ্ণ দিনৰ বিষয়ে বিশেষ জাননী
## (অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ কাৰ্য্যালয়ৰ পৰা)

### জানুৱাৰী

| | |
|---|---|
| ১, বুধ | • ২০২০ শিক্ষাবৰ্ষৰ শৈক্ষিক দিনপঞ্জী আৰু পাঠ পৰিকল্পনা ৱেবছাইটত প্ৰকাশ। |
| ৩, শুক্ৰ | • বিদ্যালয়সমূহলৈ শৈক্ষিক দিনপঞ্জী, পাঠ পৰিকল্পনা আৰু লগতে আন জাননী, প্ৰ-পত্ৰ আদি প্ৰেৰণ। |

### ফেব্ৰুৱাৰী

| | |
|---|---|
| ১, শনি | • এজবেক কাৰ্য্যালয়ত বাৰ্ষিক প্ৰতিবেদন জমা দিয়া বিদ্যালয়সমূহৰ পৰা পৰৱৰ্তী শিক্ষাবৰ্ষৰ বাবে প্ৰয়োজনীয় কিতাপৰ ফৰমাছ জমা লোৱা আৰম্ভ। প্ৰতিখন বিদ্যালয়ে নিজৰ বিদ্যালয়ৰ বাবে প্ৰয়োজনীয় কিতাপৰ সংখ্যা উল্লেখ কৰি নিজৰ বিদ্যালয়ৰ নামত প্ৰ-পত্ৰ পূৰ কৰিব লাগিব। কোনো আগধন জমা নিদিলেও ফৰমাছ গ্ৰহণ কৰা হ'ব। |
| ২৭, বৃহস্পতি | • প্ৰশিক্ষণ সম্পৰ্কীয় জাননী ৱেবছাইটত প্ৰকাশ। |
| ২৮, শুক্ৰ | • বিদ্যালয়সমূহে পৰৱৰ্তী শিক্ষাবৰ্ষৰ বাবে কিতাপৰ ফৰমাছ জমা দিয়াৰ শেষ তাৰিখ। |

### মাৰ্চ

| | |
|---|---|
| ৩, মঙল | • ছয়মাহিলি পৰীক্ষাৰ প্ৰশ্নকাকতৰ বাবে আবেদন প্ৰ-পত্ৰ আৰু আগধন জমা লোৱা আৰম্ভ (১ম শ্ৰেণীৰ পৰা ৮ম শ্ৰেণীলৈ)। এটা শ্ৰেণীৰ কি কি বিষয়ৰ প্ৰশ্নকাকত এজবেকৰ পৰা যোগান ধৰা হয়, সেইটো জানিবলৈ আগৰ বৰ্ষৰ পৰীক্ষাৰ ৰুটিন চাই ল'ব। |
| ২১,২২, শনি-দেও | • এজবেক শিক্ষক প্ৰশিক্ষণ, বিষয় : প্ৰাক্-বিদ্যালয় শিক্ষা। প্ৰথম দিন : পুৱা ১০:০০ বজাৰ পৰা বিয়লি ৫:০০ বজালৈ। |

দ্বিতীয় দিন : পুৱা ৯:০০ বজাৰ পৰা বিয়লি ৪:০০ বজালৈ।

২২, দেও ● এজবেক শিক্ষক প্ৰশিক্ষণ, বিষয় : হিন্দী আৰু সুকুমাৰ কলা। পুৱা ১০:০০ বজাৰ পৰা বিয়লি ৪:০০ বজালৈ।

## এপ্ৰিল

২৬, দেও ● এজবেকৰ নীতি নিৰ্দেশনাৰ আধাৰত প্ৰতিষ্ঠিত বিদ্যালয়সমূহৰ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে পুৱা ১০:০০ বজাৰ পৰা বিয়লি ২ বজালৈ প্ৰতিনিধিত্বমূলক সভা। অংশগ্ৰহণকাৰী প্ৰতিনিধিসকলে সভাৰ ৫ দিন আগতে যোগদানৰ নিশ্চিতি প্ৰদান কৰিব লাগিব।

● ছয়মাহিলি পৰীক্ষাৰ প্ৰশ্নকাকতৰ বাবে আবেদন প্ৰ-পত্ৰ আৰু আগধন জমা দিয়াৰ শেষ তাৰিখ।

## মে’

২৮, বৃহস্পতি ● ৱেবছাইটত ছয়মাহিলি পৰীক্ষাৰ ৰুটিন প্ৰকাশ।

## জুন

২০-২২, শনি-সোম ● ছয়মাহিলি পৰীক্ষাৰ প্ৰশ্নকাকত বিতৰণ। প্ৰশ্নকাকত নিবলৈ আহোঁতে কৰ্তৃপক্ষৰ পৰা কৰ্তৃত্ব-পত্ৰ আৰু ফট’ পৰিচয়-পত্ৰ আনিব লাগিব। বিদ্যালয়ৰ অধ্যক্ষ/প্ৰধান শিক্ষক নিজে আহিলেও ফট’ পৰিচয়-পত্ৰ আনিব লাগিব। অন্যথা প্ৰশ্নকাকত দিয়া নহ’ব। প্ৰশ্নকাকত বিতৰণ সম্পৰ্কীয় নীতি-নিৰ্দেশনাৰ সময়সূচী ৱেবছাইটত প্ৰকাশ কৰা হ’ব। এজবেকে নিৰ্দিষ্ট কৰা তলাযুক্ত মোনাতহে প্ৰশ্নকাকত দিয়া হ’ব।

২৪,২৫,২৬,২৭, ২৯,৩০, বুধ-মঙল ● **ছয়মাহিলি পৰীক্ষা।**

## জুলাই

১,২,৩,৪ বুধ-শনি ● **ছয়মাহিলি পৰীক্ষা।**

৮,৯,১০, বুধ-শুক্ৰ ● অধ্যাপক উদয় চন্দ্ৰ দত্ত সোঁৱৰণী ন্যাসৰ উদ্যোগত আৰু অসম জাতীয় বিদ্যালয়ৰ সহযোগত ইংৰাজী ভাষা বিষয়ৰ

| | | |
|---|---|---|
| | | প্ৰশিক্ষণ।<br>প্ৰথম দিনা পুৱা ১০:০০ বজাৰ পৰা বিয়লি ৫:০০ বজালৈ।<br>দ্বিতীয় দিনা পুৱা ৯:০০ বজাৰ পৰা বিয়লি ৪:০০ বজালৈ।<br>তৃতীয় দিনা পুৱা ৯:০০ বজাৰ পৰা বিয়লি ৪:০০ বজালৈ। |
| ৮-১২, বুধ-দেও | ● | এজবেক শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী।<br>বিষয় : গণিত, বিজ্ঞান, অসমীয়া, সমাজ বিজ্ঞান।<br>প্ৰতিটো বিষয়ৰে প্ৰথম দিনৰ কাৰ্য্যসূচী পুৱা ১০:০০ বজাৰপৰা বিয়লি ৫:০০ বজালৈ।<br>দ্বিতীয় দিনৰ কাৰ্য্যসূচী পুৱা ৯:০০ বজাৰপৰা বিয়লি ৪:০০ বজালৈ। (বিতং কাৰ্য্যসূচী সময়মতে প্ৰকাশ কৰা হ'ব।) |
| ১২, দেও | ● | ছয়মাহিলি পৰীক্ষাৰ প্ৰশ্নকাকতৰ টোপোলাসমূহ ঘূৰাই দিয়াৰ শেষ তাৰিখ। |

## ছেপ্টেম্বৰ

| | | |
|---|---|---|
| ৪, শুক্ৰ | ● | বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকতৰ বাবে আবেদন প্ৰ-পত্ৰ আৰু আগধন জমা লোৱা আৰম্ভ। (১ম শ্ৰেণীৰ পৰা ৮ম শ্ৰেণীলৈ) |
| ২৭, দেও | ● | এজবেকৰ নীতি নিৰ্দেশনাৰ আধাৰত প্ৰতিষ্ঠিত বিদ্যালয়সমূহৰ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে পুৱা ১০:০০ বজাৰ পৰা বিয়লি ২ বজালৈ প্ৰতিনিধিত্বমূলক সভা। অংশগ্ৰহণকাৰী প্ৰতিনিধিসকলে ৫ দিন আগতে ফ'ন কৰি যোগদানৰ নিশ্চিতি প্ৰদান কৰিব। |
| | ● | বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকতৰ বাবে আবেদন প্ৰ-পত্ৰ আৰু আগধন জমা দিয়াৰ শেষ তাৰিখ। |

## অক্টোবৰ

| | | |
|---|---|---|
| ২৯, বৃহস্পতি | ● | ৱেবছাইটত বছৰেকীয়া পৰীক্ষাৰ ৰুটিন প্ৰকাশ। |

## নৱেম্বৰ

| | | |
|---|---|---|
| ১৭-১৯, মঙল-বৃহস্পতি | ● | বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকত বিতৰণ।<br>প্ৰশ্নকাকত নিবলৈ আহোঁতে কৰ্তৃপক্ষৰ পৰা কৰ্তৃত্বপত্ৰ আৰু ফট' পৰিচয়-পত্ৰ আনিব লাগিব। বিদ্যালয়ৰ অধ্যক্ষ/প্ৰধান শিক্ষক নিজে আহিলেও ফট' পৰিচয়-পত্ৰ আনিব লাগিব। |

অন্যথা প্ৰশ্নকাকত দিয়া নহ'ব। প্ৰশ্নকাকত বিতৰণ সম্পৰ্কীয় নীতি-নিৰ্দেশনাৰ সময়সূচী ৱেবছাইটত প্ৰকাশ কৰা হ'ব। এজবেকে নিৰ্দিষ্ট কৰা তলাযুক্ত মোনাতহে প্ৰশ্নকাকত দিয়া হ'ব।

| | |
|---|---|
| ২১,২৩,২৪,২৫, ২৬,২৭,২৮,৩০, শনি-সোম | ● **বছৰেকীয়া পৰীক্ষা।** |

## ডিছেম্বৰ

| | |
|---|---|
| ১,২,৩ মঙল-বৃহস্পতি | ● **বছৰেকীয়া পৰীক্ষা।** |
| ১, মঙল | ● কিতাপ বিতৰণৰ সময়সূচী ৱেবছাইটত প্ৰকাশ। |
| ৬, দেও | ● আগতীয়াকৈ বুকিং কৰা বিদ্যালয়সমূহৰ বাবে কিতাপ বিতৰণ আৰম্ভ। |
| ৩১, বৃহস্পতি | ● বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকত ভৰাই নিয়া টোপোলাসমূহ জমা দিয়াৰ শেষ তাৰিখ। |
| | ● বাৰ্ষিক প্ৰতিবেদন জমা দিয়াৰ শেষ তাৰিখ। |

❖❖❖

# পৰৱৰ্তী শিক্ষাবৰ্ষৰ বাবে নতুন নামভৰ্তি আৰু প্ৰৱেশ পৰীক্ষা সম্পৰ্কীয় সময়সূচী (বিদ্যালয়ৰ নিজা সুবিধা অনুযায়ী)